# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-11-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। অহা ১৭ ডিচেম্বৰৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব আৰু সকলো কথা পোহৰলৈ আহিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। মেঘালয়ৰ চেৰী ব্ল'ছম ফেষ্টিভেল ২০২৫ জুবিন গাৰ্গৰ নামত উৎসৰ্গাৰ সিদ্ধান্ত।

৩। হোজাই জিলাৰ যমুনা-মৌডেঙা বনাঞ্চলৰ দখলিকৃত ভূমি দখলমুক্ত কৰাৰ ক্ষেত্ৰত স্থিতাৱস্থা বাহাল ৰাখিবলৈ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ।

৪। জনজাতিকৰণৰ দাবীত উজনি অসমৰ কেইবাখনো জিলাত টাই আহোম আৰু চুতীয়া জনগোষ্ঠীৰ প্ৰতিবাদ।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমটো খিতাপ অৰ্জনৰ যুঁজত আজি ভাৰত, দক্ষিণ আফ্ৰিকাৰ মুখামুখি।

০০০০০০০

অহা ১৭ ডিচেম্বৰ অৰ্থাৎ নিৰ্ধাৰিত তাৰিখৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব আৰু সকলো কথা পোহৰলৈ আহিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি মৰিগাঁৱত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত এই বিষয়ে উল্লেখ কৰি কয়, যে ১৭ ডিচেম্বৰ অন্তিম দিন ধাৰ্য কৰা হৈছে যদিও ১০ ডিচেম্বৰৰ ভিতৰতে সম্পূৰ্ণ ঘটনা ৰাইজৰ সন্মুখলৈ আহিব পৰা যাব। ৰাজ্য চৰকাৰ আৰু অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে শিল্পীগৰাকীক ন্যায় প্ৰদানৰ বাবে অহৰহ কাম কৰি আছে আৰু বিস্ফোৰক তথ্য লাভ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

*-বাইট-*

ইপিনে, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু ঘটনাৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা কালি তিনিটা গুৰুত্বপূৰ্ণ তথ্য লাভ কৰে। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ অধীনত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা কিছু তথ্য বিচাৰিছিল। ইয়াৰ ভিত্তিতে ছিংগাপুৰ আৰক্ষীয়ে বিশেষ তদন্তকাৰী গোটক এই তথ্য যোগান ধৰিছে। ছিংগাপুৰৰ আৰক্ষীয়ে জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু টক্সিক'লজি প্ৰতিবেদন কালি প্ৰদান কৰা বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ছিংগাপুৰ বন্দৰ আৰু সামুদ্ৰিক কৰ্তৃপক্ষৰ পৰাও

বিশেষ তদন্তকাৰী গোটে নথি লাভ কৰিছে। ইয়াৰ জৰিয়তে তদন্ত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহায় হ’ব বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে। তদুপৰি ছিংগাপুৰৰ য়টৰ নাৱিকৰ ভাষ্য গ্ৰহণ কৰি ছিংগাপুৰ আৰক্ষীয়ে অসম আৰক্ষীলৈ প্ৰেৰণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত সাক্ষ্য প্ৰদানৰ বাবে এইপৰ্যন্ত চি আই ডি কাৰ্যালয়লৈ শতাধিক লোকক মতা হৈছে বুলি তেওঁ কয়। কালি তদন্তকাৰী গোটে ব্যৱসায়ী ঋষিৰাজ বৰকটকী আৰু অভিনেতা পাৰ্থ হাজৰিকাৰ ভাষ্য গ্ৰহণ কৰে।

০০০০০০০

উত্তৰ-পূবৰ সবাটোকৈ জনপ্ৰিয় পৰ্যটন মহোৎসৱ মেঘালয়ৰ চেৰি ব্লছম ফেষ্টিভেল ২০২৫ জুবিন গাৰ্গৰ স্মৃতিত উৎসৰ্গা কৰা হ’ব। দেশ-বিদেশৰ হাজাৰ হাজাৰ পৰ্যটকে অংশ ল’বলগীয়া এই মহোৎসৱত এইবাৰ অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক বিশেষভাৱে শ্ৰদ্ধা জনোৱা হ’ব। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই শুকুৰবাৰে এই কথা সদৰি কৰে। তেওঁ কয়, যে মেঘালয় চৰকাৰৰ উদ্যোগত ১৪ আৰু ১৫ নৱেম্বৰত দুদিনীয়াকৈ আয়োজিত চেৰি ব্লছম ফেষ্টিভেলত জুবিন গাৰ্গৰ ঘনিষ্ঠ সংগীত শিল্পীৰ দ্বাৰা বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ দিহা কৰা হৈছে। তেওঁ কয়, যে কিংবন্তী শিল্পী জুবিন গাৰ্গক বিশেষভাৱে শ্ৰদ্ধা জনোৱাৰ কথাটোলৈ তেওঁ বিশেষ গৌৰৱ অনুভৱ কৰিছে। জুবিন গাৰ্গৰ ঘনিষ্ঠ শিল্পী, জুবলী, প্ৰিয়ংকা, প্ৰবীন আৰু অৰূপজ্যোতিয়ে মহোৎসৱত অনুষ্ঠান পৰিৱেশন কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

প্ৰতিবছৰৰ দৰে এইবাৰো শ্বিলঙৰ প’ল গ্ৰাউণ্ডত হ’বলগীয়া চেৰি ব্লছম ফেষ্টিভেলত কেইবাজনো আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন প’প শিল্পীয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰিব। মহোৎসৱৰ প্ৰথম দিনা বিশ্ববিখ্যাত আইৰিছ্ ৰক বেন দ্যা স্ক্ৰিপ্টৰ লগতে জেমছ ডেৰুল’, ডি জে ডিপ্লো প’প আৰু বলিউডৰ অভিনেত্ৰী নোৰা ফাটেহিয়ে অনুষ্ঠান পৰিৱেশন কৰিব। দ্বিতীয়দিনা জনপ্ৰিয় বেণ্ড একুৰা আৰু ৰেপ প’প টাইগাই দেশ-বিদেশৰ পৰ্যটক আৰু দৰ্শকক আপ্লুট কৰিব।

০০০০০০০

অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবিনী ৰাতিৰ বুকুত গীতটিৰ সুৰত অহা ৯ নৱেম্বৰত গুৱাহাটীৰ লাচিত ঘাটত বায়ু সেনাৰ এয়াৰ শ্ব’ প্ৰদৰ্শন কৰা হ’ব। এয়া হ’ব উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত বায়ুসেনাৰ প্ৰথমটো এয়াৰ শ্ব’। বায়ু সেনাৰ এয়াৰ মাৰ্চেল সুৰত সিং আৰু ৰবি কোটাই কালি দিছপুৰত এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। এয়াৰ মাৰ্চেল সুৰত সিং আৰু ৰবি কোটাই  কয়, যে বায়ু সেনাৰ ৯৩ সংখ্যক বায়ু সেনা দিৱস উদযাপনৰ অংশ হিচাপে ৯ নম্বেৰৰত দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব’ প্ৰদৰ্শন কৰা হ’ব। কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই এয়াৰ শ্ব’ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল’ব। এই এয়াৰ শ্ব’ৰ পূৰ্বে গুৱাহাটীত চাৰি-পাঁচ দিন বিমান উৰণৰ অনুশীলন কৰা হ’ব বুলি তেওঁলোকে জানিবলৈ দিয়ে। বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধা শ্ৰমৰ আবাসীসকলক অনুষ্ঠানলৈ নিমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ নতুন পাৰ্কৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব’ চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব’টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব’ চোৱাৰ ব্যৱস্থা কৰা হৈছে। সংবাদমেলত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে কয়, যে এই এয়াৰ শ্ব’ৰ বাবে নিৰাপত্তাৰ সকলো ব্যৱস্থা কৰা হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰে জাননী জাৰি কৰা হোজাই জিলাৰ যমুনা-মৌডেঙা বনাঞ্চলৰ দখলিকৃত ভূমি দখলমুক্ত কৰাৰ ক্ষেত্ৰত স্থিতাৱস্থা বাহাল ৰাখিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। যোৱা ১৩ অক্টোবৰত হোজাই বন সংমণ্ডলৰ ডবকাৰ এই ভূমি দখল হোৱা বুলি চিহ্নিত কৰি প্ৰশাসনে ১৫ দিনৰ ভিতৰত বাসস্থান খালী কৰাৰ বাবে ৬০০ পৰিয়াললৈ জাননী জাৰি কৰিছিল। এই জাননীক প্ৰত্যাহ্বান জনাই দাখিল কৰা চাৰে ৩০০ আৱেদনৰ ভিতৰত এখন শুনানী গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ পি এছ নৰসিংহ আৰু ন্যায়াধীশ আৰ মহাদেৱনৰ খণ্ড বিচাৰপীঠে আৱেদনখন নিষ্পত্তি নোহাৱা পৰ্যন্ত দুয়োপক্ষকে স্থিতাৱস্থা বাহাল ৰাখিবলৈ নিৰ্দেশ দিয়ে। আদালতে  চৰকাৰৰ বন বিভাগ, হোজাই জিলা প্ৰশাসন আদি পদকীয়া পক্ষসমূহলৈ জাননী জাৰি কৰে। ১৪ নৱেম্বৰ আৱেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। সেইদিনা উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ উচ্ছেদৰ জাননীক প্ৰত্যাহ্বান জনাই গোলাঘাট জিলাৰ দৈয়াং আৰু নামবৰ সংৰক্ষিত বনাঞ্চলৰ কমেও ৭০টা পৰিয়ালে দাখিল কৰা আন দুখনৰ আৱেদনৰ সৈতে হোজাইৰ লোকসকলৰ আৱেদনৰ শুনানিও গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, নামবৰ আৰু দৈয়াঙৰ আৱেদনকাৰী পৰিয়ালসমূহৰ ক্ষেত্ৰতো স্থিতাৱস্থা বাহালৰ  নিৰ্দেশ কাৰ্যকৰী হৈ আছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ  গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰ বিজয়ীসকলৰ অনুভৱেৰে কালি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হয়। অনুষ্ঠানত প্ৰথম পুৰস্কাৰ বিজয়ী নিষ্ঠা বৰগোহাঁই, দ্বিতীয় দিব্যা আত্ৰেয়ক, তৃতীয় স্থানপ্ৰাপ্ত অন্বেষা ফুকন আৰু ৰোহিত গাওঁখোৱাই আকাশবাণীৰ সৈতে জড়িত হোৱাৰ এই অভিজ্ঞতাৰ কথা উল্লেখ কৰাৰ লগতে সামাজিক মাধ্যমৰ ব্যাপক প্ৰচলনৰ সময়ত এই মাধ্যমৰ ইতিবাচক আৰু নেতিবাচক দিশৰ বিষয়ে মত ব্যক্ত কৰে।

***-বাইট-***

দৃষ্টিপাত অনুষ্ঠানটোৰ আঁত ধৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

জনজাতিকৰণৰ দাবীত কালি উজনি অসমৰ কেইবাখনো জিলাত  টাই আহোম আৰু চুতীয়া জনগোষ্ঠীৰ দল-সংগঠন আৰু সাধাৰণ লোকে প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰত টাই আহোম যুৱ পৰিষদে জোঁৰ সমদল উলিয়াই জনজাতিকৰণ আৰু স্বায়ত্ত শাসনৰ দাবী কৰে। ডিব্ৰুগড়টো টাই আহোম যুৱ পৰিষদে কালি চৌকিডিঙি খেলপথাৰৰ পৰা থানা চাৰিআলিলৈ জোঁৰ সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। একেদৰে চৰাইদেউটো জনগোষ্ঠীৰটোৰ বহুলোকে প্ৰতিবাদত অংশ লয়। ইপিনে, গোলাঘাট, যোৰহাট, ধেমাজি আৰু তিনিচুকীয়া জিলাত চুতীয়া জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত চুতীয়া জাতি সন্মিলনে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। গোলাঘাটৰ মেৰাপানী, সৰুপথাৰ, বৰপথাৰকে ধৰি বিভিন্ন স্থানত ১০ হাজাৰৰো অধিক লোকে প্ৰতিবাদত অংশ লয়।

০০০০০০০

গায়ক, সুৰকাৰ জয় বৰুৱাই কান্‌ছ বিশ্ব চলচ্চিত্ৰ মহোৎসৱৰ শ্ৰেষ্ঠ ছাউণ্ডট্ৰেক বঁটা লাভ কৰিছে। তেওঁৰ সৈতে ছিংগাপুৰৰ সংগীতজ্ঞ ছুজান লীম এই বঁটাৰ বাবে নিৰ্বাচিত হৈছে। জয় বৰুৱা আৰু ছুজান লীমে যুটীয়াভাৱে **ডি মেকিং অব ষ্টাৰ এমং দ্য কছমিক ক্লাউড ঃ ফ্ৰম ছাউণ্ড এণ্ড টু ছিম্ফনী** নামৰ তথ্য চিত্ৰখনৰ

**ষ্টাৰ এমং দ্য কছমিক ক্লাউড** গীতৰ বাবে এই বঁটা লাভ কৰিছে। ছুজান লীমে ৰচনা কৰা এই গীতটো ধ্রুপদী আৰু ৰক দুয়োটা দুয়োটা শৈলীতে পৰিৱেশন কৰা হৈছে। ইয়াৰে ৰক সংগীতটো জয় বৰুৱাই গাইছে।

০০০০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি কালিৰে পৰা অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত লখিমপুৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। লখিমপুৰ কমাৰ্চ কলেজৰ ক্ৰীড়া চৌহদত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে ১০ দিনীয়া গ্ৰন্থমেলাখন কালি উদ্বোধন কৰা হয়। বিয়লি জুবিন গাৰ্গ সোঁৱৰণী অস্থায়ী প্ৰেক্ষাগৃহত শিক্ষা মন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে গ্ৰন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে গ্ৰন্থৰ জৰিয়তে জ্ঞান আৰু প্ৰজ্ঞাৰ অধিকাৰী হ'ব পাৰি বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে ভাষাৰ উচ্চাৰণ আৰু লিখাৰ ক্ষেত্ৰত সাৱধান হ'বলৈ সকলোকে আহ্বান জনায়। তেওঁ কয়, যে শৰীৰটোক সুস্থ কৰি ৰাখিবলৈ যিদৰে ব্যায়ামৰ প্ৰয়োজন তেনেদৰে সুস্থ মানসিক বিকাশৰ বাবে গ্ৰন্থ অধ্যয়ন নিতান্তই প্ৰয়োজনীয়। অনুষ্ঠানত অংশ লৈ পশ্চিমবংগৰ বিশিষ্ট সাহিত্যিক বিনোদ ঘোষালে সভ্যতাৰ মাপকাঠি হিচাপে গ্ৰন্থই জ্ঞানৰ দিগদৰ্শন কৰে বুলি মন্তব্য কৰে। অনুষ্ঠানত অংশ লৈ লখিমপুৰৰ বিধায়ক মানৱ ডেকাই এই গ্ৰন্থমেলাৰ আয়োজনে লখিমপুৰবাসীক উপকৃত কৰিব বুলি মত প্ৰকাশ কৰে। মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং অৰূপজ্যোতি চৌধুৰীয়ে শিশুৰ মনত গ্ৰন্থৰ প্ৰতি আগ্ৰহ জন্মাবলৈ অভিভাৱক আৰু শিক্ষক সমাজক আহ্বান জনায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডং বিভাষ চৌধুৰীয়ে এই অনুষ্ঠানত অংশ লৈ অসমত গ্ৰন্থ আন্দোলনে নতুন ৰূপত প্ৰাণ পাইছে বুলি উল্লেখ কৰে। কালিৰ উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমটো খিতাপ অৰ্জনৰ বাবে আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্প'ৰ্টছ একাডেমীৰ খেলপথাৰত বিয়লি ৩ বজাত আৰম্ভ হ'ব। ভাৰতে যোৱা বৃহস্পতিবাৰে দ্বিতীয়খন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ১২৫ ৰানত জয় লাভ কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি হোবাৰ্টত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ এক বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। পাঁচখনীয়া শৃংখলাটোত অষ্ট্ৰেলিয়া সম্প্ৰতি ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰত মেলবৰ্ণত অনুষ্ঠিত দ্বিতীয়খন খেলত চাৰি উইকেটত পৰাজিত হৈছিল।

০০০০০০০

যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ফাৰ্মাক'লজি বিভাগৰ অধ্যাপক তথা চিকিৎসক- ক্লাৰ ৰোড নিৱাসী ডাঃ অঞ্জু লামা শইকীয়াৰ যোৱানিশা যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৭ বছৰ। তেওঁ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল।

০০০০০০০

## *News Paper Review*

জনজাতিকৰণৰ জুইত জ্বলিছে উজনি অসম, জুবিন গাৰ্গৰ ৰৈ ৰৈ বিনালে ছবিখনৰ মুক্তিৰ দিনাখনেই অভিলেখ সৃষ্টি, লাচিত সেনাৰ নেতা বিকাশ অসমক গ্ৰেপ্তাৰ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

জনজাতিকৰণ আৰু স্বায়ত্ব শাসন প্ৰৱৰ্তনৰ দাবীত যোৰহাট, গোলাঘাট, মৰাণ আৰু ধেমাজিত চুতীয়া জনগোষ্ঠীৰ হাজাৰ হাজাৰ লোকে বিশাল প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

বিভিন্ন অপহৰণ আৰু ধনদাবী ঘটনাত অভিযুক্ত বীৰ লাচিত সেনাৰ নেতা বিকাশ অসমক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ সপোনৰ ছবি ৰৈ ৰৈ বিনালেৰ মুক্তিৰ প্ৰথম দিনাই সৰ্বকালৰ নতুন অভিলেখ সৃষ্টি কৰি  দুই কোটি ৫২ লাখ টকা সংগ্ৰহ কৰাৰ বাতৰি অসমীয়া খবৰ কাকতৰ লগতে প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ইপিনে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত অভিযুক্ত শ্যামকানু মহন্তৰ সহযোগী ব্যৱসায়ী অভিনেতাৰ পৰা এছ আই টিয়ে ভাষ্য গ্ৰহণ কৰাৰ লগতে ছিংগাপুৰ আৰক্ষীয়ে জুবিন গাৰ্গ উঠি যোৱা য়টৰ কেপ্তেইন নাগৰিকক সোধাপোছা কৰি এছ আই টিক তথ্য যোগানৰ আশ্বাস দিছে। বাতৰিটো দৈনিক অগ্ৰদূত কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

উত্তৰ-পূবৰ সবাটোকৈ জনপ্ৰিয় পৰ্যটন মহোৎসৱ মেঘালয়ৰ চেৰি ব্লছম ফেষ্টিভেল ২০২৫ জুবিন গাৰ্গৰ স্মৃতিত উৎসৰ্গা কৰা হ'ব বুলি এটা বাতৰি প্ৰকাশ কৰিছে **আমাৰ অসম** কাকতখনে।

অন্ধ্ৰপ্ৰদেশৰ ভেংকটেশ্বৰ স্বামী মন্দিৰত অতিমাত্ৰা ভিৰৰ ফলত পদপিষ্ট হৈ কমেও ৯ গৰাকী লোক নিহত হোৱাৰ লগতে ভালেমান লোক আহত হোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন, টাইমছ অব ইণ্ডিয়া** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ব্ৰহ্মপুত্ৰৰ ওপৰেদি গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ছয়লেনযুক্ত দলং নিৰ্মাণ প্ৰকল্পৰ কাম প্ৰায় ৯৫ শতাংশ সম্পূৰ্ণ হোৱা এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

০০০০০০০

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, সুৰকাৰ, গীতিকাৰ, সংগীত শিল্পী ছৈয়দ ছাদুল্লাৰ ডিব্ৰুগড়ৰ নালীয়াপুলৰ বাসগৃহত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। দুয়োগৰাকীয়ে শিল্পী ছৈয়দ ছাদুল্লাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে শিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে মত বিনিময় কৰে। সাংবাদিকৰ আগত শ্ৰীসোণোৱালে এইদৰে মতপ্ৰকাশ কৰে।

*ঃ বাইট ঃ*

কৃষিমন্ত্ৰী অতুল বৰাইয়ো কালি প্ৰয়াত ছৈয়দ ছাদুল্লাৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। একেদৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰে। সাংসদ গগৈয়ে প্ৰয়াত শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, ঘোষক, গীতিকাৰ, সুৰকাৰগৰাকীৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হৈছিল।

00000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

0000000

**সমাপ্ত**